# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-06-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - - - - - - - - -**

অসম চৰকাৰে সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলক সকাহ দিয়াৰ লক্ষ্যৰে ৩৫ হাজাৰ নতুন শিক্ষকৰ পদ সৃষ্টি কৰি বিশেষ নিযুক্তিৰ ব্যৱস্থা কৰিছে। এই পদসমূহৰ বাবে কেৱল সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলেহে আবেদন কৰিব পাৰিব। নলবাৰীত আজি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই সিদ্ধান্তৰ ফলত পূৰ্বৰ অনিয়মীয়া পদসমূহ বিলুপ্ত হোৱাৰ লগতে নতুন পদত নিযুক্তি লাভ কৰাসকলে চৰকাৰী নিৰিখ অনুসৰি দৰমহা আৰু বাৰ্ষিক দৰমহাৰ বৃদ্ধি লাভ কৰিব। উচ্চতম ন্যায়ালয়ৰ উমা দেৱী গোচৰৰ পৰিপ্ৰেক্ষিতত অসম মন্ত্ৰীসভাৰ, চাকৰি নিয়মীয়া কৰাৰ ক্ষমতা নথকা হেতুকে ৰাজ্য চৰকাৰে কেবিনেটত এই সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আনহতে, আজিৰ মন্ত্ৰীসভাই পৰিবহন আৰু যান-বাহন সম্পৰ্কীয় দুটা সিদ্ধান্ত গ্ৰহণ কৰিছে। জৰিমনা আদায় দিয়াৰ নামত আৰ্থিকভাৱে অনগ্ৰসৰ লোকসকল সমস্যাৰ সন্মুখীন হোৱা বুলি সততে উত্থাপিত হৈ অহা অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। এই অনুসৰি মটৰ চাইকেলৰ আৰোহীক কেৱল হেলমেট পৰিধান নকৰিলেহে জৰিমনা বিহা হ'ব। যান-বাহন আৰক্ষীয়ে দুচকীয়া বাহনৰ চালকক অন্য নথিপত্ৰজনিত বিষয়ত জৰিমনা বিহিব নোৱাৰিব। ইপিনে, অটো, ৰিক্সাকে ধৰি তিনিচকীয়া বাহনৰ গৰাকীয়ে বাহন চালনা বা পাৰ্কিঙৰ ক্ষেত্ৰত কৰা অপৰাধ ৪ বাৰলৈ ৰেহাই দিয়া হ'ব। পঞ্চম বাৰ কৰা ভুলৰ ক্ষেত্ৰতহে জৰিমনা বিহা হ'ব। এই ক্ষেত্ৰত পৰিবহন বিভাগক ১৫ দিনৰ ভিতৰত নীতি-নিৰ্দেশনা জাৰি কৰিবলৈ কোৱা হৈছে। আনহাতে, নলবাৰীৰ ৩৪৭গৰাকী অ'বিবি শিক্ষকক মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত অহা ৩০ ছেপ্তেম্বৰত ২ লাখকৈ টকাৰ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। জিলাখনৰ ৪খন ধৰ্মীয় অনুষ্ঠান বিল্বেশ্বৰ দেৱালয়, বালিলেছা মন্দিৰ, বাঘেশ্বৰী মন্দিৰ আৰু হৰি মন্দিৰক পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৩ কোটিকৈ টকা প্ৰদান কৰিবলৈ কেবিনেটত সিদ্ধান্ত লোৱা হয়। নলবাৰীত এটা নতুন আৰক্ষী ভৱন আৰু সন্মিলন কক্ষ মুকলি কৰাৰ লগতে মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ বাবে কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে।

ইপিনে, বৰক্ষেত্ৰীৰ এম এছ ডি পি বিদ্যালয়ৰ সলনি এখন স্নাতক মহাবিদ্যালয় স্থাপনৰ বাবেও কেবিনেটে সিদ্ধান্ত লৈছে। জিলাখনৰ মৰা পাগলাদিয়া আৰু বুঢ়াদিয়া নৈত ১৯ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণৰ বাবে কেবিনেটে অনুমোদন জনাইছে। নলবাৰী চিকিৎসা মহাবিদ্যালয়লৈ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উৰণ সেঁতু, এখন অত্যাধুনিক ষ্টেডিয়াম আৰু ধমধমাত এটা দক্ষতা কেন্দ্ৰ মুকলি কৰাৰ বাবে কেবিনেটে আজি অনুমোদন জনায়।

০০০০০

রাজ্য চৰকাৰে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ বিদ্যায়তনিক পৰিবেশ উন্নত কৰাৰ বাবে ৫০০খন বিদ্যালয়ৰ আন্তঃগাঁথনি নতুনকৈ নিৰ্মাণ কৰাৰ পদক্ষেপ লৈছে। এই পদক্ষেপৰ অংশ হিচাপে চাংসাৰি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু চাংসাৰি বালিকা বিদ্যালয়ত নিৰ্মাণ কাৰ্য দ্ৰুত গতিত অব্যাহত আছে। মুখ্যমন্ত্ৰীয়ে আজি দুয়োখন বিদ্যালয় পৰিদৰ্শন কৰি আন্তঃগাঁথনিৰ বুজ লোৱাৰ লগতে যাৱতীয় পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে এই ৫০০খন বিদ্যালয় সৰ্বাংগসুন্দৰ ৰূপত গঢ়ি তোলাৰ বাবে ৪ হাজাৰ কোটিৰো অধিক টকা ব্যয় কৰিবলৈ ৰাজ্য চৰকাৰে লক্ষ্য লৈছে।

০০০০০

যোৰহাট জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই আজি জিলাখনৰ অপৰাধৰ তথ্য পৰ্যালোচনা কৰে। জিলাখনত আজি অনুষ্ঠিত অপৰাধ পৰ্যালোচনা বৈঠকত শান্তি শৃংখলা অটুট ৰাখিবলৈ ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত বিগত মাহত ভাল ফল দেখুৱাবলৈ সক্ষম হোৱা আৰক্ষী কৰ্মীক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

শিৱসাগৰ পৌৰসভাই নগৰখনৰ জনসাধাৰণৰ লগত পোনপটীয়া সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে অনলাইন গুগল শ্বীটৰ ব্যৱস্থা কৰিছে। পৌৰসভাক অধিক জনমুখী কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি পৌৰ কৰ্তৃপক্ষই এখন সংবাদমেলযোগে জানিবলৈ দিছে। এই গুগল শ্বীটৰ জৰিয়তে নগৰখনৰ ৰাইজে পৌৰ এলেকাৰ বাট পথ, নলা-নৰ্দমা, ষ্ট্ৰিট লাইট, জাৱৰ সংগ্ৰহ, খোৱাপানী আদিৰ লগতে পৌৰসভাৰ আওঁতাত থকা বিভিন্ন বিষয় সন্দৰ্ভত জনাৰ সুবিধা লাভ কৰাৰ লগতে তেওঁলোকৰ অসুবিধা তথা অভিযোগ দাখিল কৰিব পাৰিব বুলি সাংবাদিকক জানিবলৈ দিছে।

০০০০০

তিনিচুকীয়া জিলাৰ ডিগবৈত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমানৰ মাদক দ্ৰব্য জব্দ কৰে। ৩ নম্বৰ গোলাইৰ বিমান তালুকদাৰৰ ঘৰত অভিযান চলাই বুজন পৰিমানৰ মাদক দ্ৰব্যসহ এখন গাড়ী, তিনিটা মোবাইল ফোন, দুখন পাছবুক আৰু প্ৰায় ১৭ হাজাৰ নগদ ধন জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে বিমান তালুকদাৰৰ লগতে তেওঁৰ পত্নীক আটক কৰে। উল্লেখযোগ্য যে তালুকদাৰে একেধৰণৰ গোচৰত পূৰ্বেও কাৰাবাস খাটিবলগীয়া হৈছিল। জব্দ কৰা নিষিদ্ধ সামগ্ৰী তেওঁ ডিমাপুৰৰ পৰা অনা বুলি স্বীকাৰ কৰাৰ কথা আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

নৱগঠিত ডিব্ৰুগড় পৌৰনিগমৰ বিষয়াসকলে আজি নগৰখনৰ বিভিন্ন ঠাইত অভিযান চলাই অবৈধভাৱে ঠাই দখল কৰি ব্যৱসায় চলাই থকা দোকান-পোহাৰ উচ্ছেদ কৰে। জিলা আৰক্ষীৰ যান বাহন শাখাৰ সহযোগত চলোৱা এই অভিযানত শান্তিপাৰাৰ সমীপৰ ৰ'টাৰী ৰোডৰ ফুটপাথটো বেদখল মুক্ত কৰে।

০০০০০

সমাপ্ত